নং ঃ ২০১/২০২১

## আন্তঃগাঁথনি উন্নয়ন প্ৰকল্প ৰূপায়ণৰ বাবে ৰাজ্য চৰকাৰ, নাবাৰ্ড আৰু আইফাৰ মাজত স্বাক্ষৰিত হ'ল বুজা-বুজিৰ চুক্তি

# এই চুক্তিয়ে ৰাজ্যৰ উন্নয়নৰ এক নতুন যুগৰ সূচনা কৰিব ঃ মুখ্যমন্ত্ৰী

**দিছপুৰ, ০৪ আগষ্ট ঃ** উন্নয়নমূলক প্ৰকল্প ৰূপায়ণৰ জৰিয়তে ৰাজ্যৰ বিকাশৰ গতি ত্বৰান্বিত কৰাৰ লক্ষ্যৰে আজি অসম প্ৰশাসনীয় পদাধিকাৰী মহাবিদ্যালয়ত মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মা আৰু তেওঁৰ কেবিনেট সতীৰ্থসকলৰ উপস্থিতিত অসম চৰকাৰ, নাবাৰ্ড আৰু আইফা (অসম আন্তঃগাঁথনি বিত্তীয় প্ৰাধিকৰণ)ৰ মাজত এক বুজা-বুজিৰ চুক্তি স্বাক্ষৰিত হয়।

উল্লেখ্য যে নাবাৰ্ড ইনফ্ৰাষ্ট্ৰাকচাৰ ডেভলেপমেন্ট এচিষ্টেঞ্চ (নিডা) আৰু ৰুৰেল ইনফ্ৰাষ্ট্ৰাকচাৰ এচিষ্টেঞ্চ টু ষ্টেট গভৰ্ণমেন্ট (ৰিয়াচ)ৰ জৰিয়তে সমগ্ৰ ৰাজ্যখনৰে গ্ৰাম্য আৰু অৰ্দ্ধনগৰীয়া এলেকাৰ আন্তঃগাঁথনি উন্নয়নৰ বাবে ১৩,২০০ কোটি টকাৰ এই বুজা-বুজিৰ চুক্তি স্বাক্ষৰিত হয়।

এই উপলক্ষে আয়োজিত অনুষ্ঠানত ভাষণ প্ৰদান কৰি মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই এই বুজা-বুজিৰ চুক্তিখনক এক ঐতিহাসিক চুক্তি বুলি উল্লেখ কৰি আশা প্ৰকাশ কৰে যে এই পুঁজিৰে ৰাজ্যখনে উন্নয়নৰ এক নতুন প্ৰক্ৰিয়াৰ মাজেৰে গতি কৰিবলৈ সক্ষম হ'ব। এই বুজা-বুজি চুক্তিৰ অধীনত ৰাজ্যখনৰ উন্নয়নৰ গতি ত্বৰান্বিত কৰাৰ লক্ষ্যৰে এলানি ব্যাপক মূলধনী পুঁজি ব্যয় প্ৰকল্প ৰূপায়ণ কৰাৰ কথাও তেওঁ সদৰি কৰে।

মুখ্যমন্ত্ৰীয়ে কয় যে ১৩,২০০ কোটি টকা ব্যয় সাপেক্ষে বিভিন্ন প্ৰকল্প বিশেষকৈ শৈক্ষিক প্ৰতিষ্ঠান গঢ় দিয়াৰ লগতে অন্যান্য খণ্ডতো ব্যাপক পুঁজি বিনিয়োগেৰে আন্তঃগাঁথনিৰ উন্নয়ন সাধন কৰিব বিচৰা হৈছে। ইয়ে আন্তঃগাঁথনিৰ শক্তিশালী ভেটি গঢ়ি তোলাৰ লগতে বিকাশৰ এক নতুন যুগৰ সূচনা কৰিব। এই বুজা-বুজিৰ চুক্তিত থকা আন্তঃগাঁথনি উন্নয়নৰ বিভিন্ন প্ৰকল্পৰ কথা আলোকপাত কৰি মুখ্যমন্ত্ৰীয়ে কয় যে এই বৃহৎ পুঁজিৰ জৰিয়তে অভিযান্ত্ৰিক মহাবিদ্যালয়, চিকিৎসা মহাবিদ্যালয়, বিশ্ববিদ্যালয়, ষ্টেডিয়াম, পৰ্যটন কেন্দ্ৰ, শীতলীকৰণ ভঁৰাল ইত্যাদি নিৰ্মাণ কৰা হ'ব। মুখ্যমন্ত্ৰীয়ে লগতে কয় যে অহা ৩ বছৰৰ ভিতৰত এই প্ৰকল্পসমূহৰ নিৰ্মাণ প্ৰক্ৰিয়া আৰম্ভ কৰা হ'ব।

অনুষ্ঠানত ভাষণ প্ৰদান কৰি বিত্ত মন্ত্ৰী অজন্তা নেওগে কয় যে এই বুজা-বুজিৰ চুক্তিৰ জৰিয়তে বিভিন্ন ব্যাপক মূলধনী পুঁজি ব্যয় প্ৰকল্প ৰূপায়ণ কৰা হ'ব। ইয়াৰ জৰিয়তে ৰাজ্যখনে উন্নয়নৰ এক নতুন গতি পথেৰে আগুৱাই যাবলৈ সক্ষম হ'ব। নাবাৰ্ডৰ পৰিচালন সঞ্চালক পি ভি এছ সূৰ্য্যকুমাৰে অনুষ্ঠানত মুখ্যমন্ত্ৰীক ধন্যবাদ জ্ঞাপন কৰি কয় যে মুখ্যমন্ত্ৰীৰ প্ৰয়াসৰ বাবে অতি কম সময়ৰ ভিতৰতে আন্তঃগাঁথনি উন্নয়নমূলক এই চুক্তিখন স্বাক্ষৰিত হোৱাটো সম্ভৱপৰ হ'ল।

মুখ্যমন্ত্ৰীৰ প্ৰধান সচিব সমীৰ কুমাৰ সিনহাই আদৰণী ভাষণ দিয়া আজিৰ এই বৈঠকত ৰাজ্য চৰকাৰৰ কেবিনেট মন্ত্ৰীসকল, ৰাজ্যৰ মুখ্য সচিব, বেংকিং খণ্ডৰ কেইবাগৰাকীও প্ৰতিনিধি, নাবাৰ্ডৰ জ্যেষ্ঠ বিষয়া আৰু ৰাজ্য চৰকাৰৰ জ্যেষ্ঠ বিষয়াসকল উপস্থিত থাকে।

**সুঃদঃ / পুঃডেঃ / নিঃকুঃদাঃ**
**০৪/০৮/২০২১**